# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-04-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

১। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ শেহতীয়া তথ্য অনুসৰি ৰাজ্যখনত ৮১ শতাংশৰো অধিক ভোটদান। ই ভি এমসমূহ ৩৮টা ষ্ট্ৰং ৰুমত কটকটীয়া নিৰাপত্তাৰ মাজত ৰখাৰ ব্যৱস্থা।

২। ৰাজ্যৰ ৪টা সমষ্টিত তৃতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহৰ ব্যাপক প্ৰচাৰ অব্যাহত। কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ বৰপেটাত প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ।

৩। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সৰ্থেবাৰী, মানাহ আৰু পলাশবাৰীত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ।

৪। চীনৰ চেংডুত অনুষ্ঠিত উবেৰ কাপ বেডমিণ্টন প্ৰতিযোগিতাৰ গ্ৰুপ এ-ৰ খেলত অসমৰ অস্মিতা চলিহা আৰু ঈষাৰাণী বৰুৱাৰ কানাডাৰ বিৰুদ্ধে নিজ নিজ খেলত বিজয় সাব্যস্ত। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দিল্লীত অনুষ্ঠিত আজিৰ প্ৰথম খেলত দেলহী কেপিটেলছৰ, মুম্বাই ইণ্ডিয়ানছক ২৫৮ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ। দ্বিতীয় খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ আৰু ৰাজস্থান ৰয়েলছ মুখামুখি।

ooooo

ৰাজ্যৰ ৫ টা সমষ্টিত কালি লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ নিয়াৰিকৈ সম্পন্ন হয়। শেহতীয়া তথ্য অনুসৰি ৰাজ্যখনত ৮১ দশমিক ১-৭ শতাংশ ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰা বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। ইপিনে, ভোটগ্ৰহণ হোৱাৰ পাছত ই ভি এম সমূহ কটকটীয়া নিৰাপত্তাৰ মাজত ৩৮ টা ষ্ট্ৰং ৰুমত ৰখা হৈছে। ষ্ট্ৰং ৰুমসমূহত ৩ তৰপীয়া নিৰাপত্তা ব্যৱস্থা কৰাৰ লগতে চিচি কেমেৰাৰ দ্বাৰা অহৰহ নিৰীক্ষণত ৰখা হৈছে। উল্লেখযোগ্য যে, দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও সমষ্টিত ৬১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছিল।

উল্লেখযোগ্য যে, কালি দৰং-ওদালগুৰি সমষ্টিত ৭৮ দশমিক ৪-১, ডিফুত প্ৰায় ৭৩ দশমিক ১-১, কৰিমগঞ্জত ৭৫ দশমিক ৬-৩, নগাঁৱত ৮০ দশমিক ৫-৬ আৰু শিলচৰত ৭৫ দশমিক ৯-৭ শতাংশ ভোটদাতাই

ভোটৰ অধিকাৰ সাব্যস্ত কৰে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত কৰিমগঞ্জত সৰ্বাধিক ২৪ গৰাকী, নগাঁৱত ১৩, দৰং-ওদালগুৰিত ১১, শিলচৰত ৮ আৰু ডিফুত ৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়।

০০০০০

ৰাজ্যখনৰ ৪টা সমষ্টিত তৃতীয় পৰ্যায়ত হ'বলগীয়া নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অব্যাহত আছে। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত বিজেপিয়ে অসমৰ ৫টা সমষ্টিত ৪টাতে জয়লাভ কৰিব বুলি আজি বৰপেটা জিলাৰ সৰ্থেবাৰীত এখন নিৰ্বাচনী প্ৰচাৰ সভাত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে। তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে বৰপেটা লোকসভা সমষ্টিৰ অন্তৰ্গত সৰ্থেবাৰীত প্ৰচাৰ চলাই ড০ শৰ্মাই অনাগত দিনত নিৰ্বাচনত জয়লাভ কৰিলে বিজেপি চৰকাৰে উন্নয়নমূলক আঁচনিসমূহৰ কাম সুচাৰুৰূপে চলাই নিব বুলি দাবী কৰে। কেইবাহাজাৰৰো লোক উপস্থিত থকা সভাখনত মুখ্যমন্ত্ৰীয়ে ৰাইজক সামগ্ৰিকভাৱে ভোটদানৰ বাবে আহ্বান জনায়। সভাত অসম গণ পৰিষদৰ জ্যেষ্ঠ নেতা তথা স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থাকে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই বাক্সা জিলাৰ মানাহ্ বিধানসভা সমষ্টিৰ বাৰেমাবাৰীতো এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাগ লৈ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জয়ন্ত বসুমতাৰীৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাৰ্থী শ্ৰীবসুমতাৰীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলাই মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিৰোধী কংগ্ৰেছ্ আৰু বি পি এফ দলক তীব্ৰ সমালোচনা কৰে। বিয়লি মুখ্যমন্ত্ৰীগৰাকীয়ে পলাশবাৰীত অন্য এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

আনহাতে শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে গুৱাহাটীৰ তেতেলীয়াৰ পৰা তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বিজয় সংকল্প যাত্ৰাৰ কাৰ্যসূচী আৰম্ভ কৰে। বিধায়ক শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতাৰ সৈতে নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে গুৱাহাটী লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধিৰ বিজয় সুনিশ্চিত কৰাৰ বাবে সমবেত ৰাইজক আহ্বান জনায়। বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু সাংসদ কামাখ্যা প্ৰসাদ তাছায়েও আজি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীগৰাকীৰ হৈ প্ৰচাৰ চলায়।

উল্লেখযোগ্য যে তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহ পৰহিলৈ নিৰ্বাচনী প্ৰচাৰৰ বাবে অসমলৈ আহিব।

ইফালে কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই আজি বৰপেটা জিলাৰ কয়াকুচিত কংগ্ৰেছৰ বৰপেটা আৰু কোকৰাঝাৰ সংসদীয় সমষ্টিৰ প্ৰাৰ্থী দ্বীপ বায়ন আৰু গৰ্জন মুছাহাৰীৰ সমৰ্থনত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সভাত শ্ৰীখাৰ্গেয়ে দলটোৱে শাসনলৈ আহিলে মহিলাসকলক ১ লাখ টকাৰ বিত্তীয় সাহাৰ্যৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ চাকৰিত ৫০ শতাংশ সংৰক্ষণৰ প্ৰতিশ্ৰুতি দিয়ে। ইয়াৰ লগতে কংগ্ৰেছ নেতাগৰাকীয়ে যুৱক-যুৱতীসকলৰ বাবে ১ লাখ টকাৰ শিক্ষাবৃত্তি আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

**ভইছ**

শাসনাধিস্থ বিজেপি দলক তীব্ৰ সমালোচনা কৰি শ্ৰীখাৰ্গেই কয় যে, কংগ্ৰেছে বিজেপিৰ দৰে কেৱল প্ৰতিশ্ৰুতি প্ৰদান নকৰি প্ৰতিশ্ৰুতি পূৰণৰ কাৰণেও অহোপুৰুষাৰ্থ কৰে। ইয়াৰ পূৰ্বে গুৱাহাটীত এখন সংবাদমেলক সম্বোধন কৰি কংগ্ৰেছ নেতাগৰাকীয়ে দেশৰ গণতন্ত্ৰ আৰু সংবিধান ৰক্ষাৰ বাবে দলটোৱে অহৰহ যুঁজ দিয়াৰ উপৰি ৫টা ন্যায় প্ৰদানৰ প্ৰতিশ্ৰুতি আৰু ২৫টা গেৰাণ্টি জনসাধাৰণক দিছে বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে আজি চিৰাং জিলাত বি পি এফ, জি এছ্ পি আৰু অন্যান্য দলসমূহৰ নিৰ্বাচনী প্ৰচাৰ সভা অনুষ্ঠিত হয়।

**ভইছ**

০০০০০

ৰাজ্যখনত তৃতীয় পৰ্যায়ত গুৱাহাটী, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰী এই ৪ টা সমষ্টিৰ বাবে লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। গুৱাহাটী সমষ্টিত বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী বিজুলী কলিতা মেধি আৰু কংগ্ৰেছ দলৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰ গোস্বামীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াব। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত গুৱাহাটী সমষ্টিটোত গোৱালপাৰা, কামৰূপ আৰু কামৰূপ মহানগৰ জিলাৰ ১০ টা বিধানসভা সমষ্টি সামৰি লোৱা হৈছে। সম্প্ৰতি এন ডি এৰ সাংসদ  কুইন ওজাই প্ৰতিনিধিত্ব কৰা এই সমষ্টিটো ইয়াৰ পূৰ্বে বিজেপিৰ বিজয়া চক্ৰৱৰ্তী আৰু ২০০৪ চনত কংগ্ৰেছ দলৰ কিৰিপ চলিহাই প্ৰতিনিধিত্ব কৰিছিল। ইপিনে, বৰপেটা সমষ্টিত এইবাৰ বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী তথা অসম গণ পৰিষদৰ নেতা ফণীভূষণ চৌধুৰীয়ে প্ৰতিদ্বন্দিতা কৰিব। ইয়াৰ বিপৰীতে কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী ঐক্যমঞ্চৰ দীপ বায়ন, চিপিআইএমৰ মনোৰঞ্জন তালুকদাৰ, আৰু তৃণমূল কংগ্ৰেছৰ আব্দুল কালাম আজাদেও সমষ্টিটোত প্ৰতিদ্বন্দিতা কৰিব। কংগ্ৰেছ দলৰ সাংসদ আব্দুল খালেকে প্ৰতিনিধিত্ব কৰি থকা সমষ্টিটোত ইয়াৰ পূৰ্বে অৰ্থাৎ ২০১৪ চনত এ আই ইউ ডি এফৰ হৈ চিৰাজুদ্দিন আজমল জয়ী হৈছিল। এই লোকসভা সমষ্টিটোৱে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত বঙাইগাওঁ, বৰপেটা, কামৰূপ আৰু নলবাৰী জিলাৰ ১০ টা বিধানসভা সমষ্টি সামৰি লৈছে। বৰপেটা সমষ্টিত প্ৰায় ১৭ লাখ ভোটদাতা আছে। আনহাতে, কোকৰাঝাৰ লোকসভা সমষ্টিটোৱে কোকৰাঝাৰ, চিৰাং আৰু বাক্সা জিলাৰ ৯ টা বিধানসভা সমষ্টি সামৰি লৈছে। এই সমষ্টিটোত এইবাৰ বিজেপি মিত্ৰজোটৰ হৈ ইউ পি পি এলৰ জয়ন্ত বসুমতাৰী, কংগ্ৰেছৰ গৰ্জন মুছাহাৰী আৰু তৃণমূল কংগ্ৰেছৰ গৌৰীশংকৰ শৰণীয়াই প্ৰতিদ্বন্দিতা কৰিছে। এই সমষ্টিটো সম্প্ৰতি সাংসদ নৱ কুমাৰ শৰণীয়াই প্ৰতিনিধিত্ব কৰি আছে। ইয়াৰ পূৰ্বে বি পি এফৰ ছানছুমা খুংগুৰ বিছমুথিয়াৰে সমষ্টিটোক ৪ বাৰকৈ প্ৰতিনিধিত্ব কৰিছে। ইপিনে, ধুবুৰী সমষ্টিত এইবাৰ বিজেপি মিত্ৰজোটৰ হৈ অসম গণ পৰিষদৰ জাভেদ ইছলাম, কংগ্ৰেছৰ ৰকিবুল হুছেইন আৰু এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমলে প্ৰতিদ্বন্দিতা কৰিছে। এই সমষ্টিটো এ আই ইউ ডি এফৰ হৈ বৰ্তমানৰ সাংসদ বদৰুদ্দিন আজমলে ২০০৯ চনৰ পৰা প্ৰতিনিধিত্ব কৰি আছে। এই সমষ্টিটোত ১৫ লাখৰো অধিক ভোটদাতা আছে। আনহাতে, সমষ্টিটোৱে ধুবুৰী, দক্ষিণ শালমাৰা মানকাছৰ, গোৱালপাৰা, বঙাইগাঁও আৰু বৰপেটা জিলাৰ ১১টা বিধানসভা সমষ্টি সামৰি লৈছে।

০০০০০

অহা ৭ মে'ত তৃতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত এহেজাৰ ৩৫১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াব। এই পৰ্যায়ত দুহেজাৰ ৯৬৩ গৰাকী প্ৰাৰ্থীয়ে ৯৫টা সংসদীয় সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰিছিল। ইপিনে, অসমত এই পৰ্যায়ত ৪৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাটো নিশ্চিত হৈছে।

তৃতীয় পৰ্যায়ত গুজৰাটত ২৬ টা সংসদীয় সমষ্টিৰ পৰা সৰ্বাধিক ৬৫৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। মহাৰাষ্ট্ৰৰ ১১ টা সমষ্টিৰ পৰা ৫১৯ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে।

০০০০০

তৃতীয় পৰ্যায়ত অহা ৭ মে'ত হবলগীয়া তৃতীয় পৰ্যায়ৰ লোকসভা  নিৰ্বাচনৰ বাবে দেশৰ ৯৫ টা সমষ্টিত বিভিন্ন ৰাজনৈতিক দলৰ শীৰ্ষ নেতাসকলে প্ৰচাৰ অব্যাহত ৰাখিছে। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ কোলহাপুৰত নিৰ্বাচনী প্ৰচাৰ চলায়। তেওঁ সন্ধিয়া মহানগৰখনৰ তপোৱন

গ্ৰাউণ্ডত এখন জনসভাত ভাষণ দিব। ৰাজ্যখনত আজি কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ৰাদ্ৰায়ো নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীমতী ৰাদ্ৰাই লাটুৰত দলীয় প্ৰাৰ্থী ড° শিৱাজী কালগেৰ হৈ এখন নিৰ্বাচনী সভাত প্ৰচাৰ চলায়।

ইপিনে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুজৰাটৰ ৰাজকোট জিলাৰ পৌৰবন্দৰ লোকসভা আসনৰ দলীয় প্ৰাৰ্থী কেন্দ্ৰীয় মন্ত্ৰী মনসুখ মন্দাভিয়াৰ হৈ প্ৰচাৰ চলায়। নিজৰ ভাষণত তেঁও কয় যে, কংগ্ৰেছৰ শাসনকালত ৰাজ্যখনত হোৱা ক্ষতিসমূহ নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে ১০ বছৰত পূৰণ কৰিছে। ৰাজ্যখনত ৫ লাখ ৯৫ হাজাৰ কোটি টকা উন্নয়নৰ বাবে দিয়া হৈছে বুলি তেওঁ উল্লেখ কৰে। ইপিনে, গুজৰাটৰ ধৰমপুৰৰ দৰবাৰ গড় চৌহদত আজি কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে ভাষণ দিয়ে। নেত্ৰীগৰাকীয়ে কয় যে, কংগ্ৰেছে যুগুত কৰা ন্যায় পত্ৰই বহু আঁচনি আৰু নিশ্চয়তাৰ প্ৰতিশ্ৰুতি দিছে আৰু দলটো জয়ী হ'লে সেই নিশ্চয়তা সম্পূৰ্ণ হব। বিগত ১০ বছৰত বিজেপি নেতৃত্বাধীন চৰকাৰে কোনো ধৰণৰ অগ্ৰগতি কৰা নাই বুলিও তেওঁ উল্লেখ কৰে।

০০০০০

অসমত লোকসভা নিৰ্বাচনৰ সূচী ঘোষণা হোৱাৰ পাছৰে পৰা নিৰ্বাচনী আচৰণবিধি উলংঘাৰ মুঠ ১৪১ টা ঘটনা পোহৰলৈ আহিছে। ৰাজ্যত মুখ্য নিৰ্বাচন বিষয়াৰ কাৰ্যালয়ৰ তথ্য অনুসৰি পৰহি ৯ বজালৈকে নিৰ্বাচনী আচৰণবিধি উলংঘনৰ ১৪১টা অভিযোগ লাভ কৰা হৈছে। ইয়াৰে ১৩৬টা অভিযোগ ইতিমধ্যে নিষ্পত্তি কৰা হৈছে আৰু ৫টা অভিযোগ বিবেচনাধীন হৈ আছে। নিৰ্বাচনী ব্যয় নিৰীক্ষণ প্ৰক্ৰিয়াৰ অংশ হিচাপে পৰহি ৯ বজালৈকে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ১৭৫কোটিতকৈ অধিক টকা মূল্যৰ সা-সামগ্ৰী তথা নগদ ধন জব্দ কৰা হৈছে। ৰাজ্যত বৰ্তমানলৈকে ১০৫ কোটি ৫০ লাখ টকা মূল্যৰ মাদক দ্ৰব্য আৰু ২৮ কোটি ১০ লাখ টকাৰ মূল্যবান ধাতু জব্দ কৰা হৈছে বুলি কাৰ্যালয়ৰ তথ্যত প্ৰকাশ পাইছে। যোৱা বৃহস্পতিবাৰৰ পুৱা ৬ বজালৈকে আইন বলবৎকাৰী সংস্থাসমূহে ২৯টা অস্ত্ৰ আৰু ৭২টা কাৰ্টিজ জব্দ কৰিছে।

০০০০০

দেশৰ লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কালি প্ৰায় শান্তিপূৰ্ণভাৱে সম্পূৰ্ণ হয়। ১৩খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮টা সমষ্টি সামৰি হোৱা এই পৰ্যায়ৰ নিৰ্বাচনত সামগ্ৰিকভাৱে প্ৰায় ৬৮ দশমিক ৪-৮ শতাংশ ভোটদান হয়। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনত ত্ৰিপুৰাত সৰ্বাধিক ৭৯ দশমিক ৬-৬ শতাংশ ভোটদান হোৱাৰ বিপৰীতে উত্তৰ প্ৰদেশত সৰ্বনিম্ন ৫৪ দশমিক ৮-৫ শতাংশ ভোটদান সম্পন্ন হৈছে।

এই পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ নেতাসকলৰ ভিতৰত কংগ্ৰেছৰ ৰাহুল গান্ধী, চি পি আইৰ এনি ৰাজা, কেন্দ্ৰীয় মন্ত্ৰী ৰাজীৱ চন্দ্ৰশেখৰ, কংগ্ৰেছ নেতা শশী থাৰুৰ, বিজেপিৰ তেজস্বী সূৰ্য, হেমামালিনী, অৰুণ গভিল, ওম বিৰলা, কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী জে ডি এছৰ এইছ ডি কুমাৰ স্বামী, বিজেপিৰ দিলীপ শইকীয়া, পৰিমল শুক্লবৈদ্য, আৰু কংগ্ৰেছৰ প্ৰদ্যুৎ বৰদলৈ অন্যতম। এই পৰ্যায়ত মুঠ এহেজাৰ ২০২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়।

নিৰ্বাচন আয়োগে প্ৰকাশ কৰা অনুসৰি দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ সময়ত শান্তি শৃংখলা বৰ্তাই ৰখাৰ লগতে নিৰ্ভয়ে ভোটদান কৰাৰ বাবে ভোটতদাতাসকলৰ বাবে অনুকুল বাতাবৰণ গঢ়ি তোলাৰ উদ্দেশ্যে কঠোৰ ব্যৱস্থা বলবৎ কৰা হয়। ১ লাখৰো অধিক ভোটগ্ৰহণ কেন্দ্ৰত ৱেবকাষ্টিংৰ ব্যৱস্থা কৰা বুলিও আয়োগে প্ৰকাশ কৰে।

০০০০০

অসম পশুপালন আৰু পশু চিকিৎসা সংস্থাৰ শোণিতপুৰ জিলা শাখাৰ উদ্যোগত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ যুটীয়া সঞ্চালকৰ কাৰ্যালয়ত আজি বিশ্ব পশু চিকিৎসা দিৱস পালন কৰা হয়। এই উদ্দেশ্যেৰে আয়োজন কৰা কাৰ্যসূচীৰ আৰম্ভণিতে তেজপুৰৰ হাতীপিলখানাৰ পৰা গণেশঘাটলৈ এটা শোভাযাত্ৰা উলিওৱা হয়। এই অনুষ্ঠানত জিলাৰ অতিৰিক্ত আয়ুক্ত গৰ্গমোহন দাসকে প্ৰমুখ্য কৰি ভালে সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

ooooo

চীনৰ চেংডুত অনুষ্ঠিত উবেৰ কাপ বেডমিণ্টন প্ৰতিযোগিতাৰ গ্ৰুপ এ-ৰ এখন খেলত ভাৰতে কানাডাৰ বিৰুদ্ধে ৪-১ত বিজয় সাব্যস্ত কৰিছে। অসমৰ অস্মিতা চলিহাই বিশ্বৰ ৫৩ নম্বৰ স্থানৰ কানাডাৰ মিছেল লীক পৰাজিত কৰে। ইয়াৰ পাছত প্ৰিয়া কংজেংবাম আৰু শ্ৰুতি মিশ্ৰৰ যুটীটোৱে কানাডাৰ কেটৰিন চয় আৰু জেছলিন শ্ব'ৰ বিৰুদ্ধে ২১-১২ আৰু ২১-১০ত জয়লাভ কৰে। অসমৰ আন এগৰাকী খেলুৱৈ ঈষাৰাণী বৰুৱাই ইয়াৰ পাছত ৰেন ইউ জাঙক মাত্ৰ ২৯ মিনিটত পৰাজিত কৰি ভাৰতক অগ্ৰগতি প্ৰদান কৰে। দিনটোৰ শেষৰফালে গ্ৰুপ চি-ত পুৰুষৰ দলটোৱে থাইলেণ্ডৰ বিৰুদ্ধে খেলি আছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত আজিৰ প্ৰথমখন খেলত দেলহী কেপিটেলছে, মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। দেলহী কেপিটেলছে প্ৰথমে বেট ধৰি ৪টা উইকেটৰ বিনিময়ত ২৫৭ ৰান কৰিবলৈ সমৰ্থ হয়। ২৫৮ ৰানৰ বিজয় লক্ষ্য অনুসৰণ কৰি মুম্বাই ইণ্ডিয়ানছে ১২ অভাৰত ৩ টা উইকেট হেৰুৱাই ১৩৬ ৰান কৰি খেলি আছে।

আনহাতে সন্ধিয়া চাৰে ৭ বজাত লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত হ'বলগীয়া দ্বিতীয়খন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত থকা ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে খেলিব।

ooooo

ঃঃ সমাপ্ত ঃঃ